অসম

অসুস্থ অভিনেতা ৰূপম শর্মাৰ চিকিৎসাৰ বাবে আর্থিক সাহায্য মন্ত্রী জয়ন্ত মল্ল বৰুৱাৰ

জটিল ৰোগত আক্রান্ত হৈ গুৱাহাটীৰ নেমকেয়াৰ হাস্পতালত চিকিৎসাধীন অভিনেতা ৰূপম শর্মাৰ উন্নত চিকিৎসাৰ বাবে আর্থিক সাহায্য আগবঢ়ালে মন্ত্রী জয়ন্ত মল্ল বৰুৱাই।

প্রকাশ: ২৫ নৱেম্বৰ ২০২৬, আবেলি ৪:২২



actor Rupam Sharma

অসমৰ সাংস্কৃতিক জগতৰ পৰিচিত অভিনেতা ৰূপম শর্মা জটিল ৰোগত আক্রান্ত হৈ গুৱাহাটীৰ নেমকেয়াৰ হাস্পতালৰ আই চি ইউত চিকিৎসাধীন হৈ আছে।অসুস্থ অভিনেতা ৰূপম শর্মাৰ চিকিৎসাৰ বাবে আর্থিক সাহায্য প্রদান কৰিছে মন্ত্রী জয়ন্ত মল্ল বৰুৱাই।

বিগত প্রায় দুবছৰ ধৰি অসুস্থতাত ভুগি থকা অভিনেতাগৰাকীৰ শেহতীয়াকৈ স্বাস্থ্যৰ অধিক অৱনতি ঘটাত পুনৰ হাস্পতালত ভর্তি কৰোৱা হয়। তেওঁৰ এই ব্যয়বহুল চিকিৎসাৰ বাবে পৰিয়ালৰ লোকে ৰাইজৰ সহায় বিচৰাৰ পিছতে ৰাজ্যৰ মন্ত্রী জয়ন্ত মল্ল বৰুৱাই অভিনেতাগৰাকীৰ উন্নত চিকিৎসাৰ বাবে আর্থিক সাহায্য আগবঢ়ায়।

ইয়াৰ উপৰি, অসম ৰাজ্যিক চলচ্চিত্র বিত্ত আৰু উন্নয়ন নিগমৰ ভাৰপ্রাপ্ত অধ্যক্ষ ডাঃ আলেখ্য বৰুৱাইও হাস্পতালত উপস্থিত হৈ অভিনেতাগৰাকীৰ স্বাস্থ্যৰ বুজ লয় আৰু তেওঁৰ আশু আৰোগ্য কামনা কৰে।

চিকিৎসাৰ বাবে অভিনেতাগৰাকীক জৰুৰীভাৱে ‘অ’ নিগেটিভ’ তেজৰ প্রয়োজন হৈছে বুলি পৰিয়ালৰ লোকে

© 2026 NewzNow

জনাইছে। পত্নী হিমানী শর্মাইও ৰূপম শর্মাৰ আশু আৰোগ্যৰ বাবে সকলোৰে আশীৰ্বাদ আৰু সহায় বিচাৰিছে। তেজ দান বা চিকিৎসাৰ সহায়ৰ বাবে পৰিয়ালৰ ফালৰ পৰা ৮৪৮৬৯-৬৪১৭৩ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনোৱা হৈছে।

নলবাৰীৰ অভিনেতা ৰূপম শর্মাই মঞ্চ, ভ্ৰাম্যমাণ থিয়েটাৰ, ধাৰাবাহিক আৰু অসমীয়া কথাছবিত অভিনয় কৰি আহিছে। তেওঁ ২০১৩ চনত মুক্তিপ্ৰাপ্ত ‘তুমি যদি কোৱা’ নামৰ চলচ্চিত্ৰখনতো অভিনয় কৰিছিল।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/6268/rupam-sharma-actor-hospitalised-jayanta-malla-baruah-aid